প্ৰেছ বিজ্ঞপ্তি

২৮ নৱেম্বৰ, ২০১৬

**৫০০ টকীয়া আৰু ১০০০ টকীয়া বেংকনোটৰ বিধিগ্ৰাহ্যতা প্ৰত্যাহাৰ - ১০-১৭ নৱেম্বৰ,২০১৬ সময়ছোৱাৰ বেংকবোৰত কাম-কাজ**

৮ নৱেম্বৰ, ২০১৬ৰ মাজনিশাৰ পৰা ৫০০ টকীয়া আৰু ১০০০ টকীয়া বেংকনোটৰ বিধিগ্ৰাহ্যতা প্ৰত্যাহাৰৰ পৰিণামৰূপে ভাৰতীয় ৰিজাৰ্ভ বেংকে এনে নোটবোৰৰ ৰিজাৰ্ভ বেংক আৰু বাণিজ্যিক বেংক, আঞ্চলিক গ্ৰামীণ বেংক আৰু চহৰীয়া সমবায় বেংকবোৰৰ কাউন্টাৰত বিনিময় আৰু জমাভুক্তিৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে।

বেংকসমূহে ইতিমধ্যে প্ৰতিবেদিত কৰিছে যে ১০ নৱেম্বৰ, ২০১৬ৰ পৰা ২৭ নৱেম্বৰ, ২০১৬ পৰ্যন্ত সম্পাদিত হোৱা এনে বিনিময়/জমাৰ পৰিমাণ হৈছে ৮,৪৪,৯৮২ কোটি টকা (বিনিময় মূল্য ৩৩,৯৪৮ কোটি টকা আৰু জমা ৰাশিৰ পৰিমাণ ৮,১১,০৩৩ কোটি টকা)।

বেংকবিলাকে এইটোও প্ৰতিবেদিত কৰিছে যে উক্ত সময়ছোৱাত জনসাধাৰণে কাউন্টাৰ অথবা এটিএমৰ যোগেদি ২,১৬,৬১৭ কোটি টকা উলিয়াইছে।

**প্ৰেছ বিজ্ঞপ্তিঃ২০১৬-১৭/১৩৪৯**

**আল্পনা কিল্লাৱালা**

প্ৰধান উপদেষ্টা